# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৫ ডিচেম্বৰৰ পৰা জৰ্দান, ইথিউপিয়া আৰু ওমান ভ্ৰমণ কৰিব।

৩। ভাৰত আৰু লাইবেৰীয়াই ঔষধৰ গুণগত মান বৰ্তাই ৰখাৰ ক্ষেত্ৰত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। কৰ্মচাৰী ৰাজ্যিক বীমা নিগমে কাৰ্যকৰী বীমা সম্প্ৰসাৰণ, আন্তঃগাঁথনি উন্নীতকৰণ আৰু সেৱা প্ৰদানৰ উন্নতিৰ উদ্দেশ্যে কেইবাটাও প্ৰস্তাৱত অনুমোদন জনাইছে।

*আৰু*

৫। চলিত বৰ্ষৰ ১৯ বছৰ অনুৰ্ধ্বৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা  আজি ডুবাইত আৰম্ভ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে  দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে কালি ইম্ফলত উপস্থিত হয়। কালি সন্ধিয়া শ্ৰীমতী মুৰ্মুৱে ইম্ফলত এহেজাৰ ৩৮৭ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য খণ্ড, শিক্ষা, পথ আৰু ঘাইপথ, জনজাতি উন্নয়ন, কৃষি, বিদ্যুৎ আৰু খোৱাপানী যোগান প্ৰকল্প অন্যতম।

এই উপলক্ষে দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৫ ডিচেম্বৰৰ পৰা ৪ দিনীয়া কাৰ্যসূচীৰে জৰ্দান, ইথিউপিয়া আৰু ওমান ভ্ৰমণ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে জৰ্দানৰ ৰজা আব্দুলা দ্বিতীয় বিল অল হুছেইনৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ যাব। এই ভ্ৰমণৰ সময়ত শ্ৰীমোদীয়ে দেশখনৰ ৰজা আব্দুলা দ্বিতীয়ক সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজত বিভিন্ন ক্ষেত্ৰত থকা সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে আঞ্চলিক বিষয়সমূহ লৈ মতবিনিময় কৰিব। দুয়োখন দেশৰ মাজৰ

কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি কৰা এই ভ্ৰমণে ভাৰত আৰু জৰ্দানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক বিকাশ আৰু সমৃদ্ধি শক্তিশালী কৰাৰ ন ন দিশ অন্বেষণৰ সুযোগ প্ৰদান কৰিব। ইয়াৰ পাছত শ্ৰীমোদী প্ৰথমবাৰৰ বাবে ইথিউপিয়ালৈ যাব। এই ভ্ৰমণৰ সময়ত শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী ডং অবি আহমেদ আলীৰ সৈতে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সন্দৰ্ভত আলোচনা কৰিব। গ্ল'বেল ছাউথৰ অংশীদাৰ হিচাপে শ্ৰীমোদীৰ এই ভ্ৰমণে উভয় দেশৰ মাজৰ বন্ধুত্ব আৰু দ্বিপাক্ষিক সহযোগিতা আগুৱাই নিয়াৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিব।

ভ্ৰমণৰ অন্তিম পৰ্যায়ত শ্ৰীমোদী অহা ১৭ ডিচেম্বৰত ওমানৰ ছুলতান হাইথাম বিন তাৰিকৰ আমন্ত্ৰণমৰ্মে দেশখনত উপস্থিত হ'ব। এয়া হ'ব শ্ৰীমোদীৰ দ্বিতীয়টো ওমান ভ্ৰমণ। এই ভ্ৰমণে দুয়োখন দেশক বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰতিৰক্ষা, সুৰক্ষা, প্ৰযুক্তি, কৃষি আৰু সংস্কৃতি আদিকে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

00000

ভাৰত আৰু লাইবেৰীয়াই ঔষধৰ গুণগত মান বৰ্তাই ৰখাৰ ক্ষেত্ৰত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, লাইবেৰীয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত মনোজ বিহাৰী বাৰ্মা আৰু লাইবেৰীয়াৰ স্বাস্থ্য মন্ত্ৰী লুইচ এম ক'প'টোৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিখন স্বাক্ষৰিত হয়। এই বুজাবুজিৰ চুক্তিখনে সুৰক্ষিত আৰু বহনসাক্ষ্য ঔষধৰ উপলভ্যতা বৃদ্ধিত সহায় কৰিব বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা নিশা তেওঁৰ চৰকাৰী বাসগৃহত এন ডি এৰ সকলো সদস্য তথা সাংসদসকলৰ বাবে এখন বিশেষ ভোজমেলৰ আয়োজন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এন ডি এ পৰিয়ালে সু-শাসন, ৰাষ্ট্ৰীয় উন্নয়ন আৰু আঞ্চলিক আকাংক্ষাৰ প্ৰতি সহযোগিতামূলক দায়বদ্ধতাক প্ৰতিনিধিত্ব কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে একত্ৰিত হৈ আহিবলগীয়া বছৰবোৰত জাতিটোৰ উন্নয়নৰ যাত্ৰা অধিক শক্তিশালী কৰাৰ বাবে কাম কৰি যাব।

00000

বালাঘাট জিলাত দুজন মাওবাদীয়ে আত্মসমৰ্পণ কৰাৰ পাছতে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে ৰাজ্যখনক নক্সালবাদৰ পৰা মুক্ত ঘোষণা কৰিছে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশনাত ২০২৬ চনৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ দৃঢ়তাৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। ভোপালৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে বালাঘাটত নক্সালবাদীৰ আত্মসমৰ্পণৰ সৈতে জড়িত Rehabilitation to Rejuvenation অভিযানৰ অধীনত আয়োজিত এটা কাৰ্যসূচীত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰদান কৰে। বালাঘাট জিলাৰ বীৰছা থানা এলেকাৰ অন্তৰ্গত কোৰকাত

থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ শিবিৰত কালি নক্সালবাদী দীপক আৰু ৰোহিতে আত্মসমৰ্পণ কৰে।  আৰক্ষীয়ে জনোৱা মতে, দুয়োজনে মূলসুঁতিলৈ ঘূৰি অহাৰ ইচ্ছা প্ৰকাশ কৰি আত্মসমৰ্পণ কৰে। মুখ্যমন্ত্ৰী শ্ৰীযাদৱে কয়, যে আৰক্ষী বিষয়া আৰু কৰ্মীৰ অদম্য সাহস আৰু ত্যাগৰ বাবে বালাঘাটৰ পৰা নক্সালবাদক নিৰ্মূল কৰাটো সম্ভৱ হৈ উঠিছে।

ooooo

কৰ্মচাৰী ৰাজ্যিক বীমা নিগম (ই এছ আই চি)-এ ইয়াৰ কাৰ্যকৰী বীমা সম্প্ৰসাৰণ, আন্তঃগাঁথনি উন্নীতকৰণ, আৰু সেৱা প্ৰদানৰ উন্নতিৰ উদ্দেশ্যে কেইবাটাও উল্লেখযোগ্য প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মান্দাভিয়াৰ অধ্যক্ষতাত অনুষ্ঠিত ই এছ আই চিৰ ১৯৭ সংখ্যক বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ সময়ত নিগমে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সংশোধিত আনুমানিক বাজেটত অনুমোদন জনায়। ইয়াৰ উপৰিও অসমৰ ই এছ আই চি ঔষধৰ দোকানৰ লগতে মহাৰাষ্ট্ৰৰ ঔৰংগাবাদত ২০০খন বিচনাযুক্ত ই এছ আই চি চিকিৎসালয়ৰ বাবে ১৫ একৰ মাটিকে ধৰি বিভিন্ন ৰাজ্যত  বিভিন্ন সুবিধাৰ বাবে ভূমি অধিগ্ৰহণৰ অনুমোদন প্ৰদান কৰা হৈছে।

ooooo

অষ্ট্ৰেলিয়াত ১৪ বছৰতকৈ কম বয়সৰ বিদ্যালয়ৰ কন্যা শিশুসকলৰ বাবে মূৰত কাপোৰ মাৰি যোৱাটো বন্ধ কৰাৰ বাবে এখন আইন গৃহীত কৰিছে। এই আইন ব্যৱস্থা চৰকাৰী আৰু ব্যক্তিগত সকলো বিদ্যালয়ৰ কন্যা শিশুসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই নতুন আইনে ১৪ বছৰ বয়সতকৈ তলৰ কন্যা শিশুসকলক হিজাব অথবা বোৰ্খাৰ দৰে মুছলমানসকলৰ পৰম্পৰাগত মুৰ ঢাকি ৰখা নিয়মৰ পৰা ৰেহাই দিব। চৰকাৰী পক্ষই প্ৰকাশ কৰা মতে, কন্যাসকলৰ সবলীকৰণৰ লগতে তেওঁলোকক শোষণ আৰু অত্যাচাৰৰ পৰা সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে এই আইন বলৱৎ কৰা হৈছে।

ooooo

তিৰুৱনন্তপুৰমত আজি কেৰালাৰ ৩০ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰম্ভ হ'ব।  এন্নেমেৰী জেচিৰৰ  ছবি 'পেলেষ্টাইন ৩৬'ৰ জৰিয়তে এই চলচ্চিত্ৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। 'পেলেষ্টাইন ৩৬' নামৰ উদ্বোধনী ছবিখনে বহুল প্ৰশংসা লাভ কৰাৰ লগতে টকিঅ' আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰিছে। আজিৰ পৰা ১৯ ডিচেম্বৰলৈ  হ'বলগীয়া এই মহোৎসৱত সমসাময়িক আৰু ঐতিহাসিক চিনেমাৰ ৮  দিনীয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই চলচ্চিত্ৰ মহোৎসৱত মৰিচানৰ চলচ্চিত্ৰ নিৰ্মাতা আৰু আফ্ৰিকান চিনেমাৰ প্ৰভাৱশালী কণ্ঠস্বৰ আব্দেৰহমানে চিছাকোক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুৰুষৰ এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপ ২০২৫ত ব্ৰঞ্জৰ পদক দখল কৰা ভাৰতৰ জুনিয়ৰ হকী দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ৰাষ্ট্ৰৰ যুৱ তাৰকা আৰু উৎসাহী দলটোৱে সন্মানীয় এই প্ৰতিযোগিতাত ভাৰতৰ হৈ প্ৰথমবাৰৰ বাবে ব্ৰঞ্জৰ পদক অৰ্জন কৰি দেশলৈ সন্মান কঢ়িয়াই আনিছে। দলটোৰ এই সাফল্যই সমগ্ৰ দেশৰ যুৱ খেলুৱৈসকলক অধিক উৎসাহিত কৰিব বুলি শ্ৰীমোদীয়ে লগতে প্ৰকাশ কৰিছে।

০০০০০

১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা ২০২৫ আজি ডুবাইত আৰম্ভ হ'ব। ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত আজি প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আয়ুষ মহাত্ৰে নেতৃত্বাধীন ভাৰতে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। পৰহিলৈ ভাৰতীয় দলটো চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

এইবাৰ প্ৰতিযোগিতাত মুঠ ৮টা এছিয়ান দলক দুটাকৈ গ্ৰুপত ভাগ কৰা হৈছে। ভাৰতৰ লগতে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ পাকিস্তান আৰু মালয়েছিয়াক গ্ৰুপ-এত স্থান দিয়াৰ লগতে বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তান আৰু নেপালক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দুটাকৈ দল ছেমি ফাইনেলৰ কাৰণে বাছনি কৰা হ'ব। অহা ২১ ডিচেম্বৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱানিশা চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৫১ ৰানত পৰাজিত কৰে। ২১৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ ৫টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬২ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ কুইণ্টন ডি ককে সৰ্বাধিক ৯০ ৰান কৰে। ভাৰতীয় দলৰ হৈ তিলক বাৰ্মাই ৬২ ৰানৰ বৰঙণি আগবঢ়াই। আলহী দলৰ হৈ অটনীল বাৰ্টমেনে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ভাৰতৰ বৰুণ চক্ৰৱৰ্তীয়ে দুটা উইকেট লাভ কৰে। কুইণ্টন ডি কক-ক প্লেয়াৰ অৱ্ দ্যা মেছ ঘোষণা কৰা হয়। দুয়োটা দলে শৃংখলাত বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে।

০০০০০

**সমাপ্ত**